GOVERNMENT OF ASSAM
HILL AREAS DEPARTMENT
ASSAM SECRETARIAT, DISPUR-781006

**No. HAD.Ecf-820533/22** **Dated Dispur, the 27th July, 2026.**

From : T.T. Daw Daulagupu, IAS
Secretary to the Govt. of Assam,
Hill Areas Department, Dispur.

To : The Secretary,
Assam Legislative Assembly, Dispur, Ghy-06.

Sub : Furnishing 150 copies of reply in connection with the Starred Assembly Question No. 270 to be asked by Shri Lunsing Teron, Hon'ble MLA.

Sir,

With reference to the subject cited above, I am directed to forward herewith 150 (One hundred and fifty) copies of reply in connection with **Starred Assembly Question No.270 to be asked by Shri Lunsing Teron, Hon'ble MLA.**

It is also informed that as required, a soft copy of the reply along with the Annexure has also been uploaded at "**https://cms.neva.gov.in**" for favour of your kind information and necessary action.

**Enclo:** As stated above.

Yours faithfully,

Digitally signed by
THAI TSHO DAW DAULAGUPU
Date: 27-07-2026 14:47:41
Secretary to the Govt. of Assam
Hill Areas Department, Dispur.

**Memo No. HAD.Ecf-820533/22-A** **Dated Dispur, the 27th July, 2026.**

Copy to:-

1. The Secretary to the Govt. of Assam, Excise Department, Dispur.
2. P.S to Hon'ble Minister, Hill Areas Department for apprisal of the Hon'ble Minister.
3. P.S to Addl. Chief Secretary to the Govt. of Assam, Hill Areas Department for apprisal of the Addl. Chief Secretary.

**অসম বিধান সভা**
**তৰাযুক্ত প্ৰশ্ন নং-২৭০**
**উত্তৰ দিয়াৰ তাৰিখ-২৯/০৭/২৬**

বিষয় : আবকাৰী বিভাগ আৰু পৰিবহন বিভাগৰ প্ৰশাসনিক আৰু আৰ্থিক ক্ষমতা স্থানান্তৰৰ স্থিতি আৰু পৰিসৰ ।

বিধায়ক: শ্ৰী লুনছিং তেৰন

**প্ৰশ্ন:**

**মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:**

**(ক)** ১৯৯৫ চনৰ ১ এপ্ৰিল তাৰিখে ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু ASDC-ৰ মাজত স্বাক্ষৰিত ত্ৰিপাক্ষিক বুজাবুজি চুক্তি (MoU)-ৰ অনুসৰণত আৱকাৰী আৰু পৰিবহন বিভাগ দুটা KAAC-লৈ ন্যস্ত কৰা হৈছিল নেকি?

**(খ)** যদি হৈছিল, তেন্তে উক্ত বিভাগ দুটাৰ সকলো কাৰ্য আৰু কৰ্মচাৰী(functionaries) KAAC-লৈ ন্যস্ত কৰা হৈছিল নেকি?

**(গ)** KAAC-লৈ প্ৰকৃততে কোনবোৰ কাৰ্য আৰু কোনবোৰ কৰ্মচাৰী ন্যস্ত কৰা হৈছে আৰু বৰ্তমান KAAC-এ কোনবোৰ ক্ষমতা প্ৰয়োগ কৰি আছে?

**(ঘ)** এইটো সত্য নেকি যে আৱকাৰী আৰু পৰিবহন বিভাগৰ জৰিয়তে সংগৃহীত সকলো ৰাজহ এতিয়াও KAAC-ৰ সলনি ৰাজ্য চৰকাৰৰ কোষাগাৰত জমা কৰা হয়, কিয়নো বিভাগ দুটাৰ হস্তান্তৰৰ সৈতে সংগতি ৰাখি প্ৰাসংগিক কাৰ্য্যপদ্ধতিৰ নিয়মসমূহ এতিয়াও সংশোধন কৰা হোৱা নাই?

**(ঙ)** যদি সেয়াই সত্য হয়, তেন্তে বিভাগ দুটাৰ সম্পূৰ্ণ হস্তান্তৰ ফলপ্ৰসূভাৱে কাৰ্য্যকৰী কৰাৰ উদ্দেশ্যে অসম চৰকাৰে বৰ্তমানৰ এই আইনগত/নিয়মগত অসংগতি দূৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

**উত্তৰ:**

**পাৰ্বত্য অঞ্চল বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীযুত কৃষ্ণেন্দু পাল মহোদয়ে উত্তৰ দিব:**

**(ক)** হৈছিল। ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু ASDC-ৰ মাজত ১৯৯৫ চনৰ ১ এপ্ৰিলত স্বাক্ষৰিত বুজাবুজি চুক্তি (MoU) অনুসৰি, পাৰ্বত্য অঞ্চল বিভাগে ১৯৯৫ চনৰ ২৯ জুন তাৰিখে **No.HAD.57/95/63-64** নম্বৰৰ এক অধিসূচনা (Notification) জাৰি কৰিছিল আৰু এই অধিসূচনাখন ১৯৯৫ চনৰ ১৪ জুলাইত অসম ৰাজপত্ৰত (Assam Gazette) প্ৰকাশ পায়। উক্ত অধিসূচনাৰ জৰিয়তে অসম ৰাজ্যৰ কাৰ্যবাহী ক্ষমতা প্ৰযোজ্য হোৱা মুঠ **৩০টা বিষয়/বিভাগৰ** সৈতে জড়িত কাৰ্য কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদক(KAAC) অৰ্পণ আৰু ন্যস্ত কৰা হয়। এই ৩০টা বিষয়ৰ ভিতৰত **আবকাৰী বিভাগ (Excise Department)** আৰু **পৰিবহন বিভাগ (Transport Department)** দুয়োটাই অন্তৰ্ভুক্ত। (অধিসূচনাৰ প্ৰতিলিপি **অনুবন্ধ-১** ত সংলগ্ন কৰা হৈছে)

**(খ)** পাৰ্বত্য অঞ্চল বিভাগত উপলব্ধ তথ্য অনুসৰি, আবকাৰী বিভাগৰ ক্ষেত্ৰত আবকাৰী বিষয়াসহ অন্য কৰ্মচাৰীসকলক কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদলৈ ন্যস্ত কৰা হৈছে।

কিন্তু পৰিবহন বিভাগৰ ক্ষেত্ৰত কোনো কাৰ্য আৰু কৰ্মচাৰী কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদলৈ ন্যস্ত কৰা হোৱা নাই।

**(গ)** কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে, কাৰ্য (Functions) আৰু কৰ্মচাৰী(Functionaries) অৰ্পণৰ সন্দৰ্ভত জনোৱা অনুসৰি, ৰাজ্য চৰকাৰৰ আবকাৰী বিভাগে নিয়োগ কৰা আবকাৰী বিষয়া আৰু কৰ্মচাৰীৰ পদসমূহ KAAC-লৈ ন্যস্ত কৰা হৈছে আৰু সেয়া কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ কৰ্তৃপক্ষৰ (KAAC) প্ৰশাসনিক নিয়ন্ত্ৰণত আছে। ইয়াৰ উপৰিও, আবকাৰী বিভাগৰ তৃতীয় বৰ্গ (Grade-III) আৰু চতুৰ্থ বৰ্গ (Grade-IV) পদসমূহত নিযুক্তি দিয়াৰ ক্ষমতা কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ কৰ্তৃপক্ষক প্ৰদান কৰা হৈছে।

পৰিবহন বিভাগৰ ক্ষেত্ৰত, ৰাজ্য চৰকাৰৰ জিলা পৰিবহন বিষয়া (DTO) আৰু পৰিবহন বিভাগৰ কোনো কৰ্মচাৰী কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদলৈ ন্যস্ত কৰা হোৱা নাই। ফলস্বৰূপে, অসম চৰকাৰৰ পৰিবহন বিভাগৰ সৈতে জড়িত কোনো কাৰ্য কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে সম্পাদন নকৰে।

**(ঘ)** হয়। অসম চৰকাৰৰ আবকাৰী বিভাগ আৰু পৰিবহন বিভাগৰ পৰা লাভ কৰা তথ্য অনুসৰি, উক্ত দুয়োটা বিভাগে সংগ্ৰহ কৰা সমুদায় ৰাজহ ৰাজ্য চৰকাৰৰ কোষাগাৰত জমা কৰা হয়।

**(ঙ)** এই সন্দৰ্ভত আবকাৰী বিভাগ আৰু পৰিবহন বিভাগৰ পৰা লাভ কৰা তথ্য অনুসৰি, বিভাগ দুটাই এই বিষয়ত কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰাৰ কথা উল্লেখ কৰা নাই।

* * *

**বি: দ্ৰ:** প্ৰশ্ন উত্তৰৰ প্ৰতিলিপি আৰু সংলগ্ন নথি ৱেবছাইট যোগে প্ৰেৰণ/আপলোড কৰা হৈছে।

ANNEXURE - I

অনুবন্ধ - ১

सत्यमेव जयते

# THE ASSAM GAZETTE

## EXTRAORDINARY

### PUBLISHED BY AUTHORITY

No. 149 Dispur, Friday, 14th July, 1995, 23rd Asadha, 1917(S.E)

## GOVERNMENT OF ASSAM

## ORDERS BY THE GOVERNOR

## HILL AREA DEPARTMENT

---

## NOTIFICATION

The 29th June, 1995

No.HAD.57/95/63-64. – Pursuant to the Resolution adopted in the Assam Legislative Assembly on 12th April 1995 and the Memorandum of Understanding reached between the Chief Minister of Assam and the Autonomous State Demand Committee, Karbi Students Association, North Cachar Hills Students Federation and Dimasa Students Union on the first of April 1995 in New Delhi in presence of the Union Home Minister, the Governor of Assam, in exercise of the power conferred by sub-para (2) of paragraph six of the Sixth Scheduled of the Constitution of India



And with the consent of the Karbi Anglong Autonomous District Council, is pleased to entrust and delegate the functions in relations to the following subjects/departments to which the executive powers of the State of Assam extends, to the Karbi Anglong Autonomous District Council with effect from the date of its publication in the official Gazette.

1. Industry.
2. Animal Husbandry and Veterinary.
3. Forest.
4. Agriculture.
5. P.W.D
6. Sericulture.
7. Education. – (A) Primary Education upto the level of Higher Secondary Education.
   (B) Adult Education.
8. Cultural Affairs.
9. Soil Conservation.
10. Co-operation.
11. Fisheries.
12. Panchayat and Rural Development including DRDA.
13. Handloom and Textile.
14. Health and Family Welfare.
15. Public Health Engineering.
16. Irrigation.

17. Social Welfare.
18. Flood Control.
19. Sports and Youth Welfare.



20. Weight and Mesures.
21. Food and Civil Supplies.
22. Town and Country Planning.
23. College Education (General), including Library Service, District Museum and Archeology .
24. Land Reforms.
25. Publicity / Public Relation.
26. Printing and Stationary.
27. Tourism.
28. Transport.
29. Excise
30. Finance including sale Tax on purchase of goods other than Newspapers, Excise, Professional Tax.

By Order, etc for &
On behalf of the Government of Assam.

A. MALIK
Secretary to the Government of Assam,
Hill Area Department.

GUWAHATI – Printed & Published by the Dy. Director (P&S) Directorate of Ptg. And Sty. Assam. Guwahati-21 (Ex-Gazette) No. 297-749-100-14-7-1995.